# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 02-11-2024
**Time :** 17-15 Hrs

***Assamese Evening Bulletin***

***::::::::::::::::::::::::::::***

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। শাসকীয় বিজেপি আৰু বিৰোধী দল কংগ্ৰেছৰ লগতে আঞ্চলিক দলসমূহে নিৰ্বাচনী প্ৰচাৰ চলাইছে। বঙাইগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ সমৰ্থিত অগপ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ লগতে কংগ্ৰেছ প্ৰাৰ্থী ব্ৰজেনজিৎ সিংহই ভোটাৰৰ মন জয় কৰাৰ বাবে চেষ্টা চলাইছে। ইফালে, বিহালী বিধানসভা সমষ্টিত বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা পৱিত্ৰ মাৰ্ঘেৰিটা আৰু বিধায়ক দিগন্ত কলিতাই বিভিন্ন স্থানত প্ৰচাৰ অভিযান চলোৱাৰ পাছত সমষ্টিটোত নিৰ্বাচনী তৎপৰতা তুংগত উঠিছে। চামগুৰি সমষ্টিতো বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ কেবিনেট মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা বিমল বৰাই কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। একেদৰে কাছাৰৰ ধলাই বিধানসভা সমষ্টিতো বিভিন্ন ৰাজনৈতিক দলে নিৰ্বাচনী প্ৰস্তুতি অব্যাহত ৰাখিছে। চিৰাঙৰ চিদলী সমষ্টিতো প্ৰাৰ্থী আৰু সমৰ্থকসকলে ব্যাপক প্ৰচাৰ চলাইছে। এই সন্দৰ্ভত সমষ্টিটোৰ পৰা আমাৰ সংবাদদাতা কুঞ্জমোহন ৰায় –

-বাইট-

০০০

অসমীয়াৰ লগতে ৰাজ্যৰ অন্যান্য জনগোষ্ঠীয় ভাষা আৰু বৰ্ণিল সংস্কৃতিৰ প্ৰচাৰ তথা প্ৰসাৰৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ উদ্যোগত কাইলৈৰ পৰা ৯ নৱেম্বৰলৈকে ভাষা গৌৰৱ সপ্তাহ উদযাপন কৰা হ'ব। অসমীয়া ভাষাই লাভ কৰা ধ্ৰুপদী ভাষাৰ বিৰল স্বীকৃতিক প্ৰতিজন অসমীয়াৰ ওচৰলৈ নিয়াৰ লক্ষ্যৰে প্ৰথমবাৰৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। চতুৰ্থ শতিকাৰ পৰা পৰ্যায়ক্ৰমে অসমীয়া ভাষা সাহিত্যলৈ বৰঙণি যোগোৱা মনিষী, পণ্ডিত আৰু ভাষাবিদসকললৈ কৃতজ্ঞতা জ্ঞাপনৰ লগতে ভাষা গৌৰৱ সপ্তাহৰ বিভিন্ন কাৰ্যসূচীৰ অধীনত প্ৰকাশন পৰিষদে প্ৰকাশ কৰা **ধ্ৰুপদী অসমীয়া** শীৰ্ষক গ্ৰন্থ নাগৰিকৰ মাজত বিতৰণ কৰা হ'ব। তদুপৰি ভাষা গৌৰৱ সপ্তাহৰ লগত সংগতি ৰাখি অসমীয়া ভাষাৰ লগতে ৰাজ্যৰ অন্যান্য সৰু-বৰ ভাষাৰ বিকাশ-বিৱৰ্তন সন্দৰ্ভত তথ্যপূৰ্ণ আলোচনাৰো আয়োজন কৰা হৈছে। এই আয়োজনৰ এটা প্ৰধান কাৰ্যসূচী হিচাপে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এক লাখ নাগৰিকৰ জৰিয়তে কৃতজ্ঞতাসূচক পত্ৰ প্ৰেৰণ কৰা হ'ব। ইয়াৰ লগতে অসমীয়াকে ধৰি ৰাজ্যৰ ১৪ টা ভাষাত শৈক্ষিক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

গুৱাহাটীত কাইলৈ ভাষা গৌৰৱ সপ্তাহ উদযাপনৰ উদ্বোধনী অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত দিনৰ ১১ বজাৰ পৰা হ'বলগীয়া এই অনুষ্ঠানত বিত্ত মন্ত্ৰী অজন্তা নেওগ আৰু শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুও উপস্থিত থাকিব। ৰাজ্য চৰকাৰৰ আন আন মন্ত্ৰীসকল বিভিন্ন জিলাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ৪ নৱেম্বৰৰ

পৰা ৰাজ্যৰ বিদ্যালয়, মহাবিদ্যালয় আৰু বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানে নিজাববীয়াকৈ ভাষা গৌৰৱ সপ্তাহ উদযাপনৰ কাৰ্যসূচী গ্ৰহণ কৰিব।

০০০

বিশিষ্ট সাহিত্যিক, ৰাজনীতিবিদ, অভিনেতা, নাট্যকাৰ তথা পৰিচালক প্ৰয়াত লক্ষ্যধৰ চৌধুৰীৰ ওপজা দিনৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যৰ বিভিন্ন ঠাইত কিতাপৰ দিন উদ্যাপন কৰা হৈছে। গুৱাহাটীৰ উজানবজাৰত থকা কুমাৰ ভাস্কৰ নাট্য মন্দিৰত সন্ধিয়া ৬ বজাত আয়োজিত অনুষ্ঠানত সাংবাদিক নিত্য বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত লক্ষ্যধৰ চৌধুৰী ৰচিত 'মোৰ অভিনেতা জীৱনৰ কাহিনী আৰু ভগৱান শ্ৰীকৃষ্ণ' গ্ৰন্থখন উন্মোচন কৰাৰ লগতে অনুৰাধা দাস ৰচিত **জীৱনৰ বাটে ঘাটে** শীৰ্ষক গ্ৰন্থখনো উন্মোচন কৰা হ'ব।

০০০

চিবিআই বিশেষ আদালতে ট্ৰেডিং কেলেংকাৰীৰ গোচৰত গ্ৰেপ্তাৰ হোৱা ৪ জন অভিযুক্তক আজি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। এই ৪জন অভিযুক্ত হৈছে বিশাল ফুকন, ৰঞ্জিত কাকতি, অভিজিৎ চান্দ আৰু স্বপ্ননীল দাস। পূৰ্বৰ জিম্মাৰ ম্যাদ অন্ত পৰাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাই আজি চাৰিওজন অভিযুক্তক আদালতত হাজিৰ কৰোৱায়। পাছত আদালতে আটাইকেইজনকে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। অহা ১৩ নৱেম্বৰত চাৰিওজন অভিযুক্তক পুনৰ চিবিআইৰ বিশেষ আদালতত হাজিৰ কৰোৱাব লাগিব।

০০০

গুৱাহাটী মহানগৰৰ পূব প্ৰান্তত অৱস্থিত উচ্চ শিক্ষাৰ পুৰণি প্ৰতিষ্ঠান গুৱাহাটী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ হীৰক জয়ন্তীৰ সামৰণিৰ বাবে ইতিমধ্যে ব্যাপক প্ৰস্তুতি আৰম্ভ হৈছে। এই উপলক্ষে আজি হীৰক জয়ন্তী সমাৰোহৰ লাইখুঁটা স্থাপন কৰা হয়। লাইখুঁটা স্থাপন অনুষ্ঠানত অংশগ্ৰহণ কৰি মহাবিদ্যালয়খনৰ অধ্যক্ষ তথা উপাধ্যক্ষাই সকলোৰে সহযোগিতা কামনা কৰাৰ লগতে প্ৰস্তুতিৰ বিভিন্ন দিশ সম্পৰ্কে আলোকপাত কৰে। অহা ৯ নৱেম্বৰত অনুষ্ঠিত হবলগীয়া সামৰণি অনুষ্ঠানত প্ৰদৰ্শনী, বক্তৃতা অনুষ্ঠান, আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতা, সাংস্কৃতিক অনুষ্ঠান, নাট্যাভিনয়, সতীৰ্থ সন্মিলন, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ, স্মাৰক উন্মোচন, গ্ৰন্থ উন্মোচন আদি বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে। অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজিত বিভিন্ন কাৰ্যসূচীত অসমৰ শৈক্ষিক -বৌদ্ধিক জগতৰ কেইবাগৰাকীও বৰেণ্য ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। এই সমাৰোহৰ বিশেষ কাৰ্যসূচী হৈছে পৰহিলৈ গুৱাহাটী বিশ্ববিদ্যালয় অধীনস্থ মহাবিদ্যালয়সমূহৰ মাজত দিবা-নৈশ প্ৰাইজমানি ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাতত অনুষ্ঠানত সতৰ্কতা সপ্তাহ সন্দৰ্ভত আলোচনা কৰা হ'ব। এই অনুষ্ঠানত তদাৰকী আৰু দুৰ্নীতি নিবাৰণী সঞ্চালকালয়ৰ অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান সুৰেন্দ্ৰ কুমাৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০

সমাপ্ত